## মোৰ জীৱনৰ কথা



৬।৪।২০০১। ৫-১০। ঘৰুৱা কাম। অলপ সময় খোজ কাঢ়িলো। চিত্ৰনাট্যৰ কাম কৰি কেইপৃষ্ঠামান কপি কৰিবলৈ দিব পৰা হ'লে ভাল আছিল, কিন্তু সেইটো কামত হাত নিদিলো। জীৱন-ৰেখাৰ কামতে ধৰিলো। কৃষ্ণ ৰয়হঁত আহিল,—পৰেশক ডাক্তৰক দেখুৱাবলৈ। কৃষ্ণৰ লগত পাঠশালাত শ্বুটিঙৰ আয়োজনৰ বিষয়ে আলোচনা। ভাৰত-অষ্ট্ৰেলিয়াৰ এদিনীয়া (পঞ্চম, গোৱা) খেল চলি আছে। মাজে-মাজে চালো। ভাৰত জিকাৰ লক্ষণ নেদেখিলো। কামৰ কাৰণে টিভি চোৱা বাদ দিলো। কলাক্ষেত্ৰৰ অন্তৰাই ফোন কৰিছিল,—তেওঁক website-অৰ লেখাৰ কাৰণে কেইটামান পৰামৰ্শ দিলো। সন্ধিয়া বাবা (জয়ন্ত লস্কৰ) আহিল। তেওঁ কমপিউটাৰটোৰ কিছুমান কথা ছিজিল লগাই থৈ গল। বৰ ভাল পালো। সাত বজাত কাৰেণ্ট গল। এঘণ্টাৰ কাৰণে। ন বজাত আকৌ গল। এঘণ্টাৰ কাৰণে। বৰ বিৰক্ত হ'লো। কামৰ ক্ষতি হ'ল। ৭-২০ মানত অৰতোষ আৰু অঞ্জন আহিল। তেওঁলোকক পাঠশালালৈ যোৱাৰ তাৰিখৰ কথা কলো। প্ৰীতি শাৰদী শইকীয়াৰ নাচৰ অনুষ্ঠান চাবলৈ গৈছিল। ন বজাৰ আগে-আগে আহিল।

৭।৪।২০০১। ৫-০৫। ঘৰুৱা কাম। অলপ সময় খোজ কাঢ়িলো। শেষপৃষ্ঠা লিখিলো। বহুত দিনৰ মূৰত শেষপৃষ্ঠা একে বহাতে, তিনি ঘণ্টাৰ ভিতৰতে লিখি শেষ কৰিলো। আগতে এইটোৱেই মোৰ সাধাৰণ নিয়ম আছিল। বিষয়টোৰ কাৰণে কামটো সহজ হ'ল যেন পাওঁ। 'জীৱন-ৰেখা'ৰ বাবে উলিওৱা পৃষ্ঠাবিলাক পৰীক্ষা কৰিলো। দুপৰীয়া পেকেটটো প্ৰান্তিকলৈ পঠাই দিলো। পাছবেলা কলাক্ষেত্ৰলৈ। ৰঙালী উছৱৰ Steering Committee-ৰ মিটিং। পৰহি মিটিঙত আমি ২৮ আৰু ২৯ তাৰিখে উছৱ পাতিবলৈ ঠিক কৰিছিলো; পাছত মন্ত্ৰী জগদীশ ভূঞাই আহি নিৰ্বাচনৰ কাৰণে ২১, ২২ তাৰিখে পতাৰ পৰামৰ্শ দিলে। এতিয়া আয়োজনৰ কাৰণে সময় আৰু টকা দুয়োটাৰে ক্ষেত্ৰত টনাটনি হৈছে। ৪-৫০—মই আহিলো। নেপালী সাংস্কৃতিক অনুষ্ঠানলৈ মুখ্যমন্ত্ৰী আহিব বুলি মোক গৌতমে খবৰ দিলে। এতিয়া খবৰ দিলে মই উপস্থিত থাকিব নোৱাৰিম। ৫-৩০ বজাত অৰুণ নাথ আহিব বুলি কেতিয়াবাই ঠিক কৰি থোৱা আছে। অৰুণ নাথৰ লগত 'শতাব্দী' সম্পৰ্কে আলোচনা। ৰাতি Shooting Schedule এখন কৰিলো।

৮।৪।২০০১। ৫-১৫। ঘৰুৱা কাম। খোজ কাঢ়িলো। চিত্ৰনাট্যৰ কাম। ৰুণু দেৱী আহিল। তেওঁক তেওঁৰ ভূমিকাটোৰ কথা (চৰিত্ৰটোৰ কথা) বুজাই কলো। আজি কামৰ গতি ভাল হৈছে। পাছবেলা জালুকবাৰীত থকা ৰাণী আহিল। সত্তৰৰ দশকত আমাৰ ঘৰত বনকৰা ছোৱালী আছিল। আজি তাইৰ লগত Part I পৰীক্ষা দিয়া ছোৱালীজনী আহিছে। ছোৱালীজনীৰ বাবে এটা চাকৰি লাগে। তাইৰ লগত বৰ্তমানৰ চাকৰিৰ অৱস্থা সম্পৰ্কে কিছু কথা পাতিলো। এজন অচিনাকি মানুহ আহিল। দেৱজ্যোতি দত্ত? তেওঁৰ পৰিবাৰ থাকে দুলিয়াজানত। কাইলৈ তেওঁৰ পৰিবাৰৰ জন্মদিন। প্ৰত্যেক জন্মদিনত দত্তই পৰিবাৰলৈ এটা উপহাৰ পঠায়। আজি তেওঁ মোৰ গল্প-সংকলন 'গল্প আৰু শিল্প'ৰ কপি এটা কিনি আনিছে। মোক তাতে কিবা অলপ লিখি দিবলৈ কলে। উদ্দেশ্যটো কওঁতে মানুহজনৰ চকু চলচলীয়া হৈ গ'ল; মাত থোকাথুকি হৈ গ'ল। মই অভিভূত হ'লো। আহিয়েই আৰু যাবৰ সময়ত তেওঁ মোৰ ভৰিৰ ফালে হাত আগবঢ়াই প্ৰণাম জনালে। মই ভৰি চুবলৈ নিদিলো। কিমান ধৰণৰ যে মানুহ থাকে। প্ৰীতিৰ নামটো আজি Star TV ৰ ৰন্ধন-প্ৰকৰণৰ প্ৰগ্ৰেমত ওলাল। তেওঁ কিবা লিখি পঠাইছিল,—Second Prize পাইছে।

ৰাতি প্ৰীতি আৰু জুৰি (ৰয়) কলাক্ষেত্ৰত নাটক চাবলৈ গল। মই চিত্ৰনাট্যৰ কাম কৰিলো।

ৰশ্মিয়ে ফোন কৰিলে। দীঘলীয়া কথা পাতিলো। তাইৰ বাবে অহা (বিয়াৰ) প্ৰস্তাৱ এটাৰ বিষয়ে আলোচনা। তাই কলে, প্ৰথমে বন্ধুভাৱে ল'ৰাজনৰ লগত কথা পাতি চাম। মই কলো, সেইটোৱেই ভাল কাম।

অভিনেতা মহানন্দ শৰ্মা আৰু লগৰীয়া দুজনে 'সাধনা কথক কেন্দ্ৰ'ৰ অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰি গল।

৯।৪।২০০১। ৫-১৫। ঘৰুৱা কাম। চিত্ৰনাট্যৰ কাম। Make-up man দীপক দত্ত আৰু তেওঁৰ পৰিবাৰ আহিল। মহিলাগৰাকীয়ে দীপক দত্তৰ সহকাৰী হিচাপে কাম কৰে। এওঁলোক মোৰ কাৰণে নতুন। মই মোৰ কামৰ ধাৰা সম্পৰ্কে কলো। অতুল বৈশ্য আহিল। তেওঁক চিত্ৰনাট্যৰ শেষৰ পাতখিনি দিলো—ফট' কপি কৰাবলৈ। পাঠশালালৈ কোন কেতিয়া যাব তাৰ তালিকা কৰিলো। ইমানবোৰ সহায়কাৰীৰ ব্যৱস্থা কৰিছো, এতিয়া কামৰ সময়ত ওচৰত এজনো নাই। সকলো অন্য কামত ব্যস্ত। তালিকাখনত প্ৰত্যেকৰে ঘৰৰ ঠিকনা, ফোন নম্বৰ আদি দিব লগীয়া হৈছে। Shooting schedule এখন কৰিলো। ১৯৮৪ চনৰ ডায়েৰি-বহী দুখনৰ এখন ফট' কপি কৰাই আনিলো। গধূলি অতুল বৈশ্যই চিত্ৰনাট্যৰ ফট' কপি-পৃষ্ঠাবোৰ দি গল। কপিবোৰ উজ্জ্বল হোৱা নাই। কাজেন আহিছিল। তেওঁক একপি Punch কৰি File কৰিবলৈ দিলো। কমপিউটাৰত ফিল্মৰ কাৰণে ৰছিদবহীৰ নমুনা এটা কৰিলো।

১০।৪।২০০১। ৫-২০। খোজ কাঢ়িলো। জিণ্টিয়ে ফোন কৰিলে। লাটুমৰ জ্বৰ হৈছে। কালি অতুল বৈশ্যই দিয়া চিত্ৰনাট্যৰ ফট' কপিৰ পৃষ্ঠাবিলাকৰ এটা কপি কাজেনে ফাইল কৰি থৈ গৈছিল; সেইটো পৰীক্ষা কৰিলো। ঢেৰ গণ্ডগোল। সেইবোৰ আঁতৰাবলৈ চেষ্টা কৰিলো। ১০-২০ বেংকলৈ। তাৰ পৰা কলাক্ষেত্ৰলৈ। তাত গৌতমৰ লগত দৰকাৰী কথাৰ আলোচনা। শেষৰ ফালে ঈশানো আহিল। কাৰ্যসূচী, টকা-পইচা, নতুন কাম,—নানা ধৰণৰ বিষয়। ১২-৪৫ উভতিলো। শতাব্দী সম্পৰ্কীয় খুচুৰা-খুচুৰি ঢেৰ কাম। ফট'ষ্টেটৰ দোকানলৈ, ফটোৰ দোকানলৈ, মোৰ ব্যক্তিগত কামত কাপোৰৰ দোকানলৈ। তাৰ পাছত চিত্ৰনাট্য জুকিওৱাৰ কাম। সহায়কাৰী নুৰুলৰ বাহিৰে কোনো নাই। খনীন কোঁৱৰলৈ দীঘলীয়া চিঠি লিখিলো। সেইখনৰ তিনি কপি ফট'ষ্টেট কৰালো। ৰাতি আধাৰশিলাৰ শিশুৰ বাবে চিঠি লিখিবলৈ ললো।

১১।৪।২০০১। ৫-০৫। ঘৰুৱা কাম। আধাৰশিলাৰ কাৰণে 'ককাদেউতাৰ চিঠি' লিখিলো। ৰশ্মিয়ে ফোন কৰিলে। ৮-৩০ মানত শেষ হ'ল। তাৰ পাছত বস্তু সামৰিবলৈ ললো। তালিকা কৰি থৈছিলো। দহ দিনমানৰ কাৰণে পাঠশালালৈ যাম—ফিল্মৰ শ্বুটিঙৰ কাৰণে। গতিকে প্ৰয়োজনীয় বস্তু—যিমান মনত পৰিছিল সকলো লিখি গৈছিলো;—এতিয়া বাকছ আৰু মোনাত ভৰালো। এঘাৰমান বজাত বস্তু সামৰা শেষ। কমপিউটাৰ খুলি ৰশ্মি, বিভাস আৰু Star TVৰ Mirch Masala-লৈ তিনিখন email পঠালো। ভূপেন ভট্টাচাৰ্য আহিল। তেওঁক ককাদেউতাৰ চিঠিখন দিলো। তেওঁ যোৱা সংখ্যাৰ লেখাখিনিৰ বাবে মাননী দিলে। অৰতোষ আহিল। খনীন কোঁৱৰ যদি ডিফুৰ পৰা আহি নাপায়হি, তেনেহ'লে কাইলৈ মানুহ পঠোৱাৰ দায়িত্ব তেওঁকে লবলৈ কলো। পাঠশালাৰ পৰা কৃষ্ণ ৰয়হঁতৰ ড্ৰাইভাৰ দীপক আহিল। তেওঁ আমাৰ গাড়ী চলাই আমাক পাঠশালালৈ নিলে। (২-২৫ আৰম্ভ, ৫-৪০ শেষ।) কৃষ্ণ ৰয়ৰ ঘৰত মন্ত্ৰী ফণীভূষণ চৌধুৰী আৰু এম. এল. এ মোহন দাস। ভালেমান মানুহ। নিৰ্বাচনৰ বতাহ। মই কৃষ্ণ আৰু স্বপনৰ লগত গৈ শ্বুটিঙৰ বাবে লোৱা ঘৰটো চাই আহিলোগৈ। নুৰুদ্দিন বাছত আহি পালেহি। তেওঁক ছেটিংছৰ কথা বুজালো।

(আগলৈ)